# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::**

১।	ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ গুৱাহাটীত ৩ দিনীয়া ভাৰত বোধ সন্মিলন উদ্বোধন।

২।	চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ প্ৰভূত উন্নয়নৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ পলাশবাৰীত উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভৱনৰ আধাৰশিলা স্থাপন।

৩।	উমৰাংছুৰ কয়লাখনিৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিজাববীয়া গোচৰত ৰাজ্য চৰকাৰৰ শপতনামা দাখিল।

৪।	গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱ মুকলি।

*আৰু*

৫।	লাভলীনা বৰগোহাই আৰু অংকুশিতা বড়োৰ ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ বক্সিঙত স্বৰ্ণ পদক অৰ্জন।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত ৩ দিনীয়া ভাৰত বোধ সন্মিলন মুকলি কৰে। ভাৰতৰ চহকী সভ্যতা সংস্কৃতিৰ গভীৰ অধ্যয়ন তথা বিশ্বৰ শৈক্ষিক ক্ষেত্ৰত ইয়াৰ অৱদানৰ বিষয়ে পৰ্যালোচনা কৰিবলৈ দেশৰ কেইবাটাও আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানে এই সন্মিলনৰ আয়োজন কৰিছে। অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে জ্ঞানৰ নিৰবধি কেন্দ্ৰৰূপে ভাৰতৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি কয়, যে দেশৰ প্ৰজ্ঞা সম্পৰ্কিত পৰম্পৰাই সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰিছে। বিশ্বৰ অন্যান্য প্ৰান্ত অজ্ঞতাৰ আন্ধাৰত বুৰ গৈ থকাৰ সময়তে ভাৰতৰ ঋষি-মুনিসকলে সৰ্বোচ্চ পৰ্যায়ৰ জ্ঞানৰ প্ৰসাৰ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীআচাৰ্যই কয়, যে ভাৰত বোধ সন্মিলনৰ বিভিন্ন সত্ৰসমূহত দেশৰ সভ্যতা, সংস্কৃতি, শিক্ষা, অৰ্থনীতি, বুৰঞ্জী, বিজ্ঞান আৰু আন বহুতো দিশ সন্দৰ্ভত হ'বলগীয়া পৰ্যালোচনাসমূহে আমাৰ দেশৰ বৌদ্ধিক আৰু সাংস্কৃতিক ঐতিহ্যক সামগ্ৰিকভাৱে প্ৰতিফলিত কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যপালগৰাকীৰ লগতে ইশান বোধ ন্যাসৰ অধ্যক্ষ অধ্যাপক ৰাজনীশ কুমাৰ মিশ্ৰ, গীতাচাৰ্য্য শ্ৰী পুৰন্দৰ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজ্য চৰকাৰে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ প্ৰভূত উন্নয়নৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পলাশবাৰীৰ আগছিয়া-মাজিৰ গাঁৱত পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। পি এম শ্ৰী আঁচনিৰ অধীনত এই বিদ্যালয়খন ৰাষ্ট্ৰীয় আদৰ্শ

উৎকৰ্ষতা বিদ্যালয়লৈ উন্নীত কৰা হ'ব। ইয়াৰ জৰিয়তে বিদ্যালয়খনৰ সামগ্ৰিক বিকাশ সাধন কৰি সকলো শৈক্ষিক প্ৰত্যাহ্বান অতিক্ৰম কৰিব পৰাকৈ গঢ়ি তোলা হ'ব। তদুপৰি এই আদৰ্শ বিদ্যালয়খনে অঞ্চলটোৰ একাধিক বিদ্যালয়ক শৈক্ষিক উৎকৰ্ষৰ ক্ষেত্ৰত পথ প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

উল্লেখযোগ্য যে চৰকাৰে ৰাজ্যৰ প্ৰায় ৫০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নতুনকৈ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইতিমধ্যে বহু কেইখন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈ উঠিছে।

ড০ শৰ্মাই এই কাৰ্যসূচীতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে গুৱাহাটীৰ ৰিং ৰোডৰ কাম আৰম্ভ কৰাৰ ক্ষেত্ৰত অনুমোদন পত্ৰ জাৰি কৰাৰ কথাও সদৰি কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত ভকত-বৈষ্ণৱসকলক আধ্যাত্মিকতাৰ লগতে গুৰুজনাৰ বৌদ্ধিক আৰু সাংস্কৃতিক আন্দোলনক আগবঢ়াই নিবলৈ আহ্বান জনায়। অধিৱেশনত আজি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ আৰু নাম প্ৰসংগৰে কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ পতাকা উত্তোলন কৰিব। কাইলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

০০০০

ৰাজ্যখনক উদ্ভাৱন আৰু উদ্যোগৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস হিচাপে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি চলাই আছে। এডভাণ্টেজ আছামৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাসমূহতো এই বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। ধুবুৰী জিলাৰ চাপৰত থকা কৃষি মহাবিদ্যালয়ত ধুবুৰী জিলা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলা ভিত্তিত আয়োজিত কৰ্মশালাত আজি জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে এই বিনিয়োগ সন্মিলনৰ বিষয়ে সকলোকে বিতংভাবে ব্যাখ্যা কৰে। তেওঁ লগতে স্থানীয়ভাৱে উৎপাদিত স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীসমূহ পৰিদৰ্শন কৰে।

নগাঁও জিলা পুথিভঁৰালতো আজি এডভাণ্টেজ আছাম সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলাখনৰ অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা এই কৰ্মশালাত বাণিজ্য আৰু উদ্যোগ বিভাগৰ নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ কেইবাগৰাকী উচ্চ পদস্থ বিষয়াৰ লগতে উদ্যোগী, ব্যৱসায়ী, আত্মসহায়ক গোট আৰু বিভিন্ন সংস্থাই অংশগ্ৰহণ কৰে।

০০০০

২০১০-১১ বৰ্ষত পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰীৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি গুৱাহাটীৰ পল্টনবজাৰৰ পৰ্যটন সঞ্চালকালয়ৰ কাৰ্যালয়ত অভিযান চলায়। তদাৰকি কোষে নিযুক্তি কেলেংকাৰীৰ তথ্য বিচাৰি পুৰণি ফাইলৰ সন্ধান কৰাৰ লগতে সংশ্লিষ্ট বিষয়াক সোধাপোছা কৰে। উল্লেখযোগ্য যে, ২০১০-১১ চনত কংগ্ৰেছ চৰকাৰৰ আমোলত কেইবাগৰাকীও প্ৰাৰ্থীক অবৈধভাৱে নিযুক্তি দিয়া বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে তৎপৰতাৰে তদন্ত আৰম্ভ কৰে।তদাৰকি কোষে এই সময়ছোৱাত নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলকো তদন্তৰ আওতালৈ অনাৰ সম্ভাৱনা আছে।

০০০০

বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি কোকৰাঝাৰ চহৰৰ ৰবীন্দ্ৰ নগৰত ভাৰতীয় জন সংঘৰ প্ৰতিষ্ঠাপক তথা শিক্ষাবিদ, ৰাজনীতিক, সমাজকৰ্মী ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰতিমূৰ্তি আৰু ছহিদ বেদীৰ ভূমিপূজন কৰে। মুখ্যমন্ত্ৰীৰ ১০ লাখ টকাৰ আৰ্থিক অনুদানেৰে এই ছহিদ বেদী আৰু প্ৰতিমূৰ্তি কৰা হ'ব। ইয়াৰ বাবে শ্ৰী দৈমাৰীয়েও নিজাববীয়াকৈ এক লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। এই কাৰ্যসূচী বি টি চিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ উত্তৰ অসমৰ বৌদ্ধিক প্ৰমুখ ৰথীন্দ্ৰ সিনহা, বিজেপিৰ সভানেত্ৰী কবিতা বসুমতাৰীকে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০

অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰিছে। লাভলীনাই আজি ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত চণ্ডিগড়ৰ প্ৰানচু ৰাথোৰক ৫-০ ফলাফলত পৰাজিত কৰে। অংকুশিতাই ৬৬ কিলোগ্ৰাম শাখাত উত্তৰাখণ্ডৰ কাজলক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে দুটা সোণৰ পদক অৰ্জন কৰিছে।

লগতে তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশ কৰিছিল।

ইপিনে মহিলাৰ একক আৰ্ছাৰীত টুটুমণি বড়ো আৰু আৰ্ছাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০

শিৱসাগৰত আজিৰে পৰা খেল মহাৰণ টু পইণ্ট জিৰো জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত এই উপলক্ষে আয়োজিত উদ্বোধনী অনুষ্ঠানত অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ শিৱসাগৰ, নাজিৰা আৰু ডিমৌ সমষ্টিৰ প্ৰায় এহেজাৰ ৫শ খেলুৱৈয়ে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ৩ দিনীয়াকৈ আয়োজিত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ পৰহিলৈ সামৰণি পৰিব।

ইপিনে, ওদালগুৰিত জিলা পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ যোৱা ৪ ৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হয়। জিলাখনৰ আঠশৰো অধিক খেলুৱৈয়ে ফুটবল, ভলীবল, দবা, কাবাডী, চাইক্লিঙৰ লগতে বিভিন্ন এথলেটিক্স প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

শ্ৰীভূমি জিলাতো আজি জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত খেল মহাৰণ টু পইণ্ট জিৰোৰ জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। খেলৰ অন্তিম দিনা আজি ১৭ বছৰ অনুৰ্ধ পুৰুষ আৰু মহিলাৰ ফুটবল, এথলেটিক্স, দবা, চাইক্লিং আদি প্ৰতিযোগিতাৰ চূড়ান্ত খেলসমূহ অনুষ্ঠিত হয়। ০

০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আজি গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেলৰ আৰম্ভ হৈছে। আজি ফিলিপিন্‌ছৰ পৰিচালক কাৰ্ল' অবিস্প'ৰ ছবি – এ লেব ষ্টৰীৰ প্ৰদৰ্শনেৰে প্ৰতিযোগিতাৰ ছবি প্ৰদৰ্শনৰ শুভাৰম্ভ হয়। বিয়লি চাৰে পাচ বজাত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক শিৱা চান্দা, শ্ৰীলংকাৰ বিশিষ্ট পৰিচালক প্ৰচন্ন ভিথানাগে আৰু অসমৰ কেইবাগৰাকীও বিশিষ্ট চলচিত্ৰ পৰিচালকে বন্তি প্ৰজ্বলনেৰে তিনিদিনীয়া এই মহোৎসৱৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে।

তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰান, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শিত হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি তিনিওদিনেই দেশৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ পৰিচালক আৰু সমালোচকৰ অংশগ্ৰহণেৰে মুঠ ৭ খন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

০০০০

গুণগত শিক্ষাৰ মান নিশ্চিতকৰণৰ উদ্দেশ্যে যোৱা ৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ আজি সামৰণি পৰে। এই পৰ্যায়ত ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি লোৱা হৈছিল। নলবাৰী জিলাৰ অভ্যাসন বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। এই পৰ্যায়ত জিলাখনৰ এহেজাৰ ৬৫ খন বিদ্যালয়ৰ ৮৭ হাজাৰ ৪৯৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হয়। বিভিন্ন বিভাগৰ ৪৭৩ গৰাকী বহিঃমূল্যায়কে জিলাখনৰ বিভিন্ন বিদ্যালয়ত গুণোৎসৱত ভাগ লয়।

গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ  শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ৬৩ হাজাৰ ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ৬৭৬ গৰাকী বহিঃমূল্যায়কে গুণগত মান নিৰ্ণয় কৰে।

দৰং জিলাত এহেজাৰ ১৭৮ খন বিদ্যালয়ৰ এক লাখ ১৮ হাজাৰ ২১৭ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰা হয়। জিলাখনত এই পৰ্যায়ত জিলা আয়ুক্তসহ পাঁচগৰাকী অসম প্ৰশাসনিক সেৱাৰ বিষয়া আৰু এগৰাকী অসম বন সেৱাৰ বিষয়াকে ধৰি ৫৩১ গৰাকী বহিঃমূল্যায়কে গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়।

তৃতীয় পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত  গুণোৎসৱ অনুষ্ঠিত হয়। মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰে।

০০০০

উমৰাংছুৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰুজু কৰা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনক লৈ আজি অনুষ্ঠিত শুনানিত ৰাজ্য চৰকাৰে এখন শপতনামা দাখিল কৰে। অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই দাখিল কৰা এই শপতনামাখনত সংশ্লিষ্ট এলেকাসমূহত অবৈধ কয়লা খনন ৰোধ কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ সন্নিবিষ্ট কৰা হৈছে। আজিৰ শপতনামাত সন্নিবিষ্ট পদক্ষেপসমূহ প্ৰাথমিকভাৱে গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মহাধিবক্তাগৰাকীয়ে অবৈধ কয়লাখনন বন্ধ কৰিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত ভৱিষ্যতে বিস্তৃত শপতনামা দাখিল কৰা হব বুলি জানিবলৈ দিয়ে। অবৈধ কয়লাখনন সন্দৰ্ভত কেতবোৰ তথ্যৰে অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া আৰু সাংসদ প্ৰদ্যুত বৰদলৈয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য নায়াধীশলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। আজিৰ শুনানি কালত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ চুমন শ্যামৰ খণ্ড বিচাৰপীঠে জনপ্ৰতিনিধি দুগৰাকীক সেই পত্ৰত উল্লেখ কৰা তথ্যসমূহ ৰাজ্য চৰকাৰৰ মহাধিবক্তাকো প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চ ন্যায়ালয়ে আজি লগতে উমৰাংছুৰ ঘটনা সন্দৰ্ভত ৰুজু কৰা নিজাববীয়া গোচৰটোত ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদকো পক্ষ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

বজালী জিলাৰ সৰুপেটাত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় ৰাষ্ট্ৰীয় নাট সমাৰোহৰ আয়োজন কৰা হৈছে। এই নাট সমাৰোহত অসমীয়া, হিন্দী আৰু বাংলা ভাষাৰ ৫ খনকৈ নাটক মঞ্চস্থ হ'ব। সমাৰোহত আজি নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ নাট 'শংকৰ গুৰু আমাৰে' মঞ্চস্থ কৰা হ'ব। কাইলৈ মৃণ্ময় ভূঞাৰ 'দ্ৰোণাচাৰ্য শ্ৰী গুৰুৱে নমঃ', অৰ্ঘ দে'ৰ বাংলা ভাষাত ৰচিত নাট 'যত্নে ৰেখো' মঞ্চস্থ কৰা হ'ব। পৰহিলৈ সমাৰোহৰ অন্তিম দিনা হবিব তনবিৰৰ 'চৰণ দাস চোৰ' আৰু সুধাংশু ফিৰদোছৰ হিন্দী ভাষাত ৰচিত 'কথা নাট' মঞ্চস্থ কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত **ৰাইজৰ জীৱিকাৰ বাবে বাঁহ সম্পদৰ বিকাশ** শীৰ্ষক প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন

মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি, মীন, ভূমি সংৰক্ষণ, পৰ্যটন আদি বিভাগ তথা বিভিন্ন প্ৰতিষ্ঠানৰ মুঠ ২৪ গৰাকী বিষয়াই অংশগ্ৰহণ কৰে। এই কৰ্মশালাত দেশৰ বাঁহ উৎপাদন খণ্ডত আলোকপাত কৰাৰ লগতে বাঁহৰ আনুবংশিক উন্নয়ন ব্যৱস্থা, জীৱিকাৰ বাবে বাঁহ, বাঁহ খেতিৰ জড়িয়তে খনিৰ অৱনমিত ভূমিৰ উন্নতি, গৃহ নিৰ্মাণত বাঁহ আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰশিক্ষাৰ্থীসকলে মাজুলী ভ্ৰমণ কৰি চামগুৰি সত্ৰৰ পদ্মশ্ৰী সন্মানেৰে সন্মানিত মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীৰ সৈতে মুখা শিল্পকলাৰ শৈলী সন্দৰ্ভত মত বিনিময় কৰে।

০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত আজি জিলা উন্নয়ন সমিতিৰ মাহিলী বৈঠক অনুষ্ঠিত হয়। বৈঠকত স্বাস্থ্য, পানীযোগান, বিনিয়োগ, শিক্ষা আৰু বিভিন্ন আঁচনি ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। জিলাখনৰ গৰ্ভৱতী মহিলাসকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰক্তহীনতা প্ৰতিৰোধ, প্ৰতিষ্ঠানিক প্ৰসৱ নিশ্চিতকৰণ আৰু সম্পূৰ্ণ প্ৰতিষেধক নিশ্চিতকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

আজিৰ বৈঠকতে এডভাণ্টেজ আচামৰ লগত সংগতি ৰাখি অহা ১০ ফেব্ৰুৱাৰীত শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ যৌথ বিনিয়োগ কৰ্মশালা আয়োজনৰ বিষয়ত সবিশেষ আলোচনা কৰা হয়।

০০০০

সমাপ্ত